**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-Aug-2025
**Time :** 0755 Hrs

### *Assamese Morning Bulletin*

মুম্বাইৰ কোলাবাৰ অভিজাত অঞ্চলৰ ৪ বিঘা ভূমি মুম্বাই কর্তৃপক্ষই অসম চৰকাৰক ৬০ বছৰৰ বাবে লীজত দিছে। দেশৰ বাণিজ্যিক ৰাজধানীখনত অসমৰ জনসাধাৰণৰ বাবে যাৱতীয় ৰাজহুৱা আন্তঃগাঁথনিৰ বিকাশ তথা সুচল ব্যৱস্থা গঢ়ি তোলাৰ বাবে অসম চৰকাৰে এই ভূমিত এটা নিজা চৌহদ স্থাপন কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এখন সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে মুম্বাই চহৰলৈ অহা অসমৰ উদ্যোগী, ছাত্ৰ-ছাত্ৰী, ৰোগী তথা অন্যান্য লোকসকল উপকৃত হ'ব। শ্ৰীসোণোৱালে এই ভূমিত স্থাপন হ'বলগীয়া কেন্দ্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত নতুন গতি প্ৰদান কৰাৰ লগতে জনকল্যাণমূলক সুবিধাসমূহ তৃণমূল পৰ্যায়লৈ লৈ যোৱাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অসমৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া প্ৰয়োজন পূৰণৰ বাবে এটা কেন্দ্ৰ নিৰ্মাণৰ বাবে ভূমি বিচাৰি অসম চৰকাৰৰ মুখ্য সচিবে এখন লিখিত আবেদন প্ৰেৰণ কৰিছিল। এই আবেদনৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় চৰকাৰে ৪ বিঘা ভূমি লীজত দিয়াৰ সিদ্ধান্ত লয়।

০০০০০০

ৰাজ্যৰ প্ৰায় ৪০ লাখ মহিলা, আত্মসহায়ক গোটৰ জৰিয়তে নিজাকৈ উপাৰ্জন কৰি আত্মনিৰ্ভৰশীল হ'বলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণ কৰি ড০ শৰ্মাই কয়, যে ৰাজ্যত বৰ্তমান প্ৰায় ৪ লাখ আত্মসহায়ক গোট আছে আৰু এই গোটসমূহে গ্ৰাম্য আৰু নগৰাঞ্চলৰ সামাজিক-অৰ্থনৈতিক প্ৰেক্ষাপট সলনি কৰিবলৈ সমৰ্থ হৈছে। ইতিমধ্যে ৮ লাখ মহিলাই বছৰি এক লাখ টকাৰো অধিক ধন উপাৰ্জন কৰিবলৈ সমৰ্থ হৈছে বুলিও ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে মহিলাসকল বেংক ব্যৱস্থাৰ সৈতে পৰিচিত হৈছে আৰু তেওঁলোকে সামগ্ৰী উৎপাদনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হৈ উঠিছে। মুখ্যমন্ত্ৰীয়ে ভাষণত অহা ১ নৱেম্বৰৰ পৰা ৰেচন কাৰ্ডৰ জৰিয়তে বিনামূলীয়া চাউলৰ উপৰি সুলভ মূল্যত দাইল, চেনি আৰু নিমখ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে।

অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযান সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই উচ্ছেদ অভিযান নিৰন্তৰ চলি থাকিব। ইতিমধ্যে উচ্ছেদিত হোৱা লোকসকলে যাতে উজনি অসম অথবা উত্তৰ পাৰৰ ভূমি দখল কৰি ভাবুকি সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ লগতে উল্লেখ কৰে। উচ্ছেদিত লোকসকলৰ সেই স্থানৰ ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাব তিথি। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহত এক শৰণ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক গুৰুজনাক স্মৰণ কৰি নাম-কীৰ্তন পৰিৱেশন কৰাৰ লগতে বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হৈছে। মাজুলীতো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ-নামঘৰসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ অমিয়া ধ্বনিৰে আকাশ-বতাহ মুখৰ হৈ পৰিছে। বৰপেটা, গোৱালপাৰা আদি ঠাইতো গুৰুজনাৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ, নামঘৰসমূহত নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে।

000000

বন বিভাগৰ মুখ্য সচিব এম কে যাদৱৰ সৈতে বিভাগটোৰ এটা বৃহৎ দলে কালি গোলাঘাট জিলাৰ নেঘেৰিবিলৰ উচ্ছেদিত স্থলীৰ সামগ্ৰিক পৰিস্থিতিৰ পৰিদৰ্শন কৰে। অসম আৰক্ষী আৰু চি আৰ পি এফৰ দল লগত লৈ মুখ্য সচিবগৰাকীয়ে পূৰ্বে উচ্ছেদিত কোনো পৰিয়াল নেঘেৰিবিললৈ প্ৰত্যাৱৰ্তন কৰিছে নেকি সেয়া নিৰীক্ষণ কৰে। উল্লেখযোগ্য যে নেঘেৰিবিলৰ ৫৯টা পৰিয়ালক উচ্চতম ন্যায়ালয়ে সাময়িক সকাহ দিছে যদিও এই পৰিয়ালসমূহো যিকোনো সময়তে উচ্ছেদ হোৱাৰ সম্ভাৱনা আছে।

000000

ডিব্ৰুগড় জিলাৰ মৰাণত মাহ-প্ৰসাদৰ বিষক্ৰিয়াৰ ফলত শিশুসহ প্ৰায় ৪০ গৰাকী লোক অসুস্থ হৈ চিকিৎসাধীন হৈ আছে। শনিবাৰে মৰাণৰ এক আৰু দুই নম্বৰ দিখাৰী গাঁৱত ভাদ মাহৰ নামঘৰৰ বুট-মাহ খোৱাৰ ফলত এই ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। মাহ-প্ৰসাদ খোৱাৰ ফলত বিষক্ৰিয়াত আক্ৰান্ত লোকসকলক  মৰাণৰ তিলৈ সামূহিক স্বাস্থ্য কেন্দ্ৰ, খোৱাং স্বাস্থ্য কেন্দ্ৰ আৰু চাৰি গৰাকীক অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। বৰ্তমান আটাইকেইজন লোক সুস্থ হৈছে বুলি চিকিৎসকে জানিবলৈ দিয়ে।

000000

২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ কেইবাটাও ৰাজনৈতিক দলে আজি শিৱসাগৰত এখন বৈঠকৰ আয়োজন কৰিছে। এই বৈঠকত পৰৱৰ্তী নিৰ্বাচনৰ বাবে ৰণকৌশল প্ৰস্তুত কৰা হ'ব। বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এই বিষয়ে প্ৰকাশ কৰে। দলটোৱে ১৯ আগষ্টৰ পৰা শিৱসাগৰ বিধানসভা সমষ্টিত ১৫ দিনীয়া বিশেষ জাগৰণ যাত্ৰাৰ কাৰ্যসূচী লৈছে বুলিও তেওঁ উল্লেখ কৰে।

000000

সমাপ্ত